**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং -৩১**
**উত্তৰ দিয়াৰ তাৰিখ-০৭-০৭-২০২৬**

**বিষয়ঃ শিশুৰ পুষ্টিহীনতা সন্দৰ্ভত**

**শ্ৰী ওৱাজেদ আলী চৌধুৰী,বিধায়ক**

**প্ৰশ্নঃ-**

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত শিশু পুষ্টিহীনতা মুখ্যতঃ কি কি ৰূপত বা প্ৰকাৰত দেখা যায় ? এই প্ৰকাৰ সমূহত শিশু পুষ্টিহীনতাৰ পৰিসংখ্যা দাখিল কৰিব।

(খ) কোন কোন অঞ্চলত / জিলাত শিশু পুষ্টিহীনতাৰ প্ৰভাৱ বেছি ? বিতং তথ্য দিব।

(গ) শিশু পুষ্টিহীনতা প্ৰকোপ বেছি থকা অঞ্চল সমূহত এই পুষ্টিহীনতা হ্ৰাস কৰাৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(ঘ) নিয়ম মতে কিমান জনসংখ্যাৰ সাপেক্ষে এখন অংগনৱাড়ী কেন্দ্ৰৰ প্ৰয়োজন? জনসংখ্যা বৃদ্ধি সাপেক্ষে নতুন অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

**(ক)** অসমত শিশু পুষ্টিহীনতা মুখ্যত ষ্টান্টিং, তীব্ৰ পুষ্টিহীনতা (Wasting ), অত্যাধিক তীব্ৰ পুষ্টিহীনতা (SAM), পুষ্টিহীনতা (Underweight) আদি প্ৰকাৰত দেখা যায় ।

এই তথ্য ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য জৰীপ ৱেবচাইট , https://www.nfhsiips.in/ ত উপলব্ধ।

**(খ)** ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য জৰীপ ৫ৰ তথ্য অনুসৰি ধুবুৰী, নগাঁও, শোণিতপুৰ, বৰপেটা, কাছাৰ, .শ্ৰীভূমি আৰু গোৱালপাৰা জিলাত পুষ্টিহীনতাৰ প্ৰভাৱ বেছি ।

**(গ)** শিশু পুষ্টিহীনতা প্ৰকোপ বেছি থকা অঞ্চল সমূহত পুষ্টিহীনতা হ্ৰাস কৰাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

১) মহিলা আৰু শিশু বিকাশ মন্ত্ৰাণালয়ৰ নিৰ্দেশাৱলী অনুসৰি অসমত ২০২০ চনৰপৰা অধীনত চিকিৎসাজনিত জটিলতা নথকা অত্যাধিক পুষ্টিহীনতাতা ভোগা শিশুসকলৰ সমাজভিত্তিক ব্যৱস্থাপনাৰ জৰিয়তে দিহা পৰামৰ্শ প্ৰদান কৰি স্বাস্থ্য উন্নত কৰা হয় ।

২) চিকিৎসাজনিত জটিলতা থকা অত্যাধিক তীব্ৰ পুষ্টিহীনতাত ভোগা শিশুসকলক পৰিপুষ্টি পুনঃসংস্থাপন কেন্দ্ৰলৈ (NRC) প্ৰেৰণ কৰা হয় আৰু শিশুসকলক ৰিলিজ দিয়াৰ সময়ত ১০০০ টকাৰ এটি পুষ্টিৰ টোপোলা (Nutri kit) প্ৰদান কৰা হয়।

৩) ইয়াৰ ওপৰিও অংগনবাদী কেন্দ্ৰ সমূহত শিশু সকলৰ পুষ্টিহীনতা দূৰ কৰাৰ উদ্দেশ্যে অন্নপ্ৰাশন, পঞ্চামৃত, মাতৃদুগ্ধপান সপ্তাহ, পৰিপূৰক আহাৰ সপ্তাহ, ডায়েৰীয়া নিৰ্মূলকৰণৰ কাৰ্য্যকলাপ ইত্যাদি সমাজ সচেতনতামূলক বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰি অহা হৈছে।

৪) পোষণ মাহ, পোষণ পষেক আদিৰ দৰে জনআন্দোলনমূখী কাৰ্য্যকলাপ সমূহত ৰাইজৰ সদস্য, জনপ্ৰতিনিধি, বিশিষ্ট কলাকাৰ, মাতৃসহায়ক গোট তথা অংগনবাদী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি আদিৰ দ্বাৰা পুষ্টিহীনতা হ্ৰাস কৰাৰ ওপৰত সজাগতা সৃষ্টি কৰি অহা হৈছে৷ তাৰোপৰি সময়ে সময়ে বিভাগীয় বিষয়ববীয়াসকল আৰু অংগনবাড়ী কৰ্মী সহায়িকা সকলক শিশুৰ স্বাভাৱিক বৃদ্ধি নিৰীক্ষণ ও চিনাক্তকৰণ, পুষ্টিহীনতাৰ কুপ্ৰভাৱ তথা ইয়াৰ নিৰ্মূলকৰণৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি অহা হৈছে।

**(ঘ)** ভাৰত চৰকাৰৰ সংহত শিশু বিকাশ সেৱা (ICDS - Integrated Child Development Services) আঁচনিৰ অধীনত জনসংখ্যাৰ ওপৰত ভিত্তি কৰি অংগনবাদী কেন্দ্ৰ স্থাপনৰ বাবে কিছুমান নিৰ্দিষ্ট নিয়ম বা মাপকাঠী নিৰ্ধাৰণ কৰা হৈছে।

সাধাৰণতে ৪০০ ৰপৰা ৮০০ জনসংখ্যাৰ বাবে **১** টাকৈ অংগনবাদী কেন্দ্ৰ দিয়া হয় ।

নতুন অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা বা নতুনকৈ মঞ্জুৰ কৰা বিষয়টো সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয়।জনসংখ্যা বৃদ্ধিৰ অনুপাতে নতুন অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বৰ্তমান কোনো নিৰ্দেশনা নাই।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

************